**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-10-2024
**Time :** 17-15 Hrs.

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::::***

সমগ্ৰ ৰাজ্যতে আজি কাতি বিহু পালন কৰা হৈছে। পথাৰৰ লখিমীক আদৰাৰ পূৰ্বে খেতি পথাৰত চাকি আৰু আকাশবন্তি জ্বলাই অসমৰ কৃষিজীৱী ৰাইজে কাতি বিহু উপলক্ষে সেৱা জনায়। আহিন আৰু কাতিৰ দোমাহীৰ দিনা কাতি বিহু পালন কৰি কৃষকসকলে শস্য শ্যামলা পথাৰৰ আশাৰে প্ৰাৰ্থনা জনায়। কাতি বিহু উপলক্ষে তুলসীৰ তলত বন্তি জ্বলোৱাৰ লগতে ভঁৰালঘৰ, গোহালি, পদূলি আদিত চাকি বন্তি জ্বলাই কৃষিজীৱী ৰাইজে মংগল কামনা কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাতি বিহুৰ সেৱা জ্ঞাপন কৰে। এটা বাৰ্তাত তেওঁ এই উৎসৱে সকলোৰে জীৱনলৈ সুখ-সমৃদ্ধি আৰু সুস্বাস্থ্য কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কাতি বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। একেদৰে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও কাতি বিহু উপলক্ষে শস্যশ্যামলা পথাৰত কৃষকৰ সপোন উজলি উঠাৰ আশাৰে ৰাজ্যবাসীক ওলগ জনাইছে।

ইফালে ৰাজ্য চৰকাৰৰ নিৰ্দেশমৰ্মে আজি কৃষি বিভাগৰ উদ্যোগত ৰাজ্যৰ সম-জিলা আৰু মহকুমাসমূহত কাতি বিহু পালন কৰা হয়। ইয়াৰ লগতে বিভাগীয় আঁচনিসমূহৰ সন্দৰ্ভত সজাগতা সভাৰো আয়োজন কৰা হয়। তদুপৰি কৃষি বিভাগে তুলসী তলত বন্তি প্ৰজ্বলন আৰু শৰাই দিয়াৰ লগতে পথাৰত আকাশবন্তি প্ৰজ্বলনৰ কাৰ্যসূচীও গ্ৰহণ কৰে।

কৃষিমন্ত্ৰী অতুল বৰাই কাতি বিহু উপলক্ষে কৃষক ৰাইজৰ মংগল কামনা কৰি **গোলাঘাট** জিলাৰ বোকাখাটৰ আহুগাঁও পথাৰত আকাশবন্তি প্ৰজ্বলন কৰে।

পৰিবহণ, আবকাৰী আৰু মীন বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই **কলিয়াবৰৰ** পথাৰত কাতি বিহু উপলক্ষে আকাশবন্তি প্ৰজ্বলন কৰে।

**মাজুলী** জিলাত প্ৰতিখন ঘৰৰ পদূলিত আৰু তুলসীৰ তলত পৰম্পৰাগতভাৱে বন্তি প্ৰজ্বলন কৰি কাতি বিহু পালন কৰা হৈছে। এই সন্দৰ্ভত মাজুলীৰ পৰা আমাৰ সংবাদদাতা বিকাশ শইকীয়াই এইদৰে কয়-

**-ভইচ কাষ্ট-**

**শিৱসাগৰ** জিলাতো তুলসীৰ তলত চাকি আৰু পথাৰত আকাশবন্তি প্ৰজ্বলন কৰি কাতি বিহু পালন কৰা হৈছে। শিৱসাগৰৰ নগৰৰ লগতে প্ৰতিখন গাঁও আৰু চুবুৰীত ৰাইজে আজি বিহুৰ পৰম্পৰা ৰক্ষা কৰি কাতি বিহু পালন কৰিছে।

**লখিমপুৰ** জিলাতো কাতি বিহু উপলক্ষে কৃষক ৰাইজে খেতিপথাৰত চাকি-বন্তি প্ৰজ্বলন কৰাৰ লগতে ঘৰে ঘৰে তুলসী পুলি ৰোপণ কৰি পৰম্পৰাগতভাৱে কাতি বিহু পালন কৰে।

**মৰিগাঁও** জিলাত কৃষি বিভাগে জিলা প্ৰশাসনৰ সহযোগত কেন্দ্ৰীয়ভাৱে কাতি বিহু উদযাপন কৰে। জিলাখনৰ মিকিৰভেটা কৃষি চক্ৰৰ অন্তৰ্গত চৰাইবাহীৰ সোণাই নৈৰ পাৰৰ বৰহোলা পথাৰত এই কাৰ্যসূচী পালন কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে তুলসীৰ তলত বন্তি, আকাশবন্তি প্ৰজ্বলনৰ লগতে জিলাখনৰ তিনিগৰাকী কৃষকক সম্বৰ্ধনা জনোৱা হয়।

ইফালে সত্ৰনগৰী **বৰপেটাত** বিহুৰ দিনটোৰ পৰাই সম্পূৰ্ণ কাতি মাহটো সত্ৰ-নামঘৰ আৰু সত্ৰৰ হাটীপুৰত নাম প্ৰসংগৰে উদযাপন কৰা হ'ব। আজি ৰাখালথানত ইয়াৰ আৰম্ভণি কৰা হয়

**গোৱালপাৰা** জিলাত কৃষি বিভাগৰ নিৰ্দেশমৰ্মে কিশোৰীডুবি গাঁৱত জিলাখনৰ কৃষি বিষয়াৰ কাৰ্যালয়ে কাতি বিহু পালন কৰিছে। এই অনুষ্ঠানত বিভাগীয় আঁচনিৰ বিষয়ে সজাগতা সভা অনুষ্ঠিত কৰাৰ লগতে কৃষিজাত শস্যৰ বীজ আৰু সামগ্ৰী বিতৰণ কৰা হয়।

**ধুবুৰী** জিলাত আকাশবন্তিৰ লগতে গো-লক্ষ্মীক উদ্দেশ্যি গোহালিঘৰ, লক্ষ্মী বাসকৰা ভঁৰালঘৰ, তামুল-নাৰিকৰ আদিৰ লগতো কাতি বিহু উপলক্ষে চাকি প্ৰজ্বলন কৰিছে।

০০০

উচ্চতম ন্যায়ালয়ে আজি অসমত বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চন বাহাল থাকিব বুলি ৰায়দান কৰে। নাগৰিকত্ব আইনৰ ৬(ক) নম্বৰ দফা অনুসৰি সৰ্বোচ্চ ন্যায়ালয়খনে এই ৰায় প্ৰদান কৰে। অসম সন্মিলিত মহাসংঘৰ আবেদনৰ ভিত্তিত শুনানি গ্ৰহণ কৰিছিল। মুখ্য ন্যায়াধীশ, ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত পাঁচজনীয়া বিচাৰপীঠে আজি এই ৰায়দান কৰে। মুখ্য ন্যায়াধীশগৰাকীয়ে এই সন্দৰ্ভত কয় যে অসম চুক্তি ৰাজ্যখনলৈ বিদেশী নাগৰিকৰ অবৈধ প্ৰব্ৰজনৰ এটা ৰাজনৈতিক সমাধান আছিল। উল্লেখযোগ্য যে বিচাৰপীঠখনৰ চাৰিগৰাকী ন্যায়াধীশে ইয়াৰ সপক্ষে ৰায়দান কৰাৰ বিপৰীতে এগৰাকী ন্যায়াধীশে বিৰুদ্ধে মত পোষণ কৰে।

অসম গণ পৰিষদৰ সভাপতি তথা ৰাজ্যৰ কৃষি মন্ত্ৰী অতুল বৰাই উচ্চতম ন্যায়ালয়ৰ ৰায়দানক আদৰণি জনাইছে। এই সন্দৰ্ভত সভাপতি শ্ৰী বৰাই এইদৰে কয়-

**-বাইট-**

উচ্চতম ন্যায়ালয়ে বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চন বাহাল ৰখাৰ সিদ্ধান্তক আদৰণি জনাই এ আই ইউ ডি এফ দলে আজি দলীয় কাৰ্যালয়ত উৎসৱ উদযাপন কৰে।

আনহাতে, গোচৰটোৰ ৰায়দান সন্দৰ্ভত গোচৰৰ আবেদনকাৰী অসম সন্মিলিত মহাসংঘৰ শীৰ্ষ নেতা মতিউৰ ৰহমানে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। শিৱসাগৰ জিলাৰ শিমলুগুৰিত এখন সংবাদ মেল সম্বোধন কৰি তেওঁ কয় যে, উচ্চতম্য ন্যায়ালয়ৰ এই ৰায় খিলঞ্জীয়াৰ বাবে সংকটৰ সৃষ্টি কৰিলে। খিলঞ্জীয়া জনগোষ্ঠীসমূহে এইক্ষেত্ৰত সিদ্ধান্ত ল'ব লাগিব বুলিও তেওঁ আহ্বান জনায়।

ইপিনে আম আদমী পাৰ্টিৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰে উচ্চতম ন্যায়ালয়ৰ ৰায়লৈ আদৰণি জনাই প্ৰেছ বিজ্ঞপ্তিযোগে কৈছে যে, অসমৰ ৰাজনৈতিক ইতিহাসৰ কাৰণে আজি এটা গুৰুত্বপূৰ্ণ দিন আৰু আজিৰ এই ৰায়দানে দীৰ্ঘদিনীয়া বিদেশী নাগৰিকৰ সমস্যাৰ স্থায়ী সমাধানৰ পথ মুকলি কৰিলে।

০০০

ভাৰতে, দেশখনৰ বিৰুদ্ধে কানাডাই উত্থাপন কৰা অভিযোগৰ সমৰ্থনত কোনো ধৰণৰ তথ্য-প্ৰমাণ নাই বুলি দোহাৰিছে। কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডোৱে তদন্ত আয়োগৰ ওচৰত কৰা সাক্ষ্য দান সন্দৰ্ভত সংবাদ মাধ্যমে কৰা প্ৰশ্নৰ উত্তৰত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰন্ধিৰ জয়ছৱালে কয় যে তেওঁৰ বক্তব্যই ভাৰতে ইমান দিনে কৈ অহা কথাকেই সত্য বুলি নিশ্চিত কৰিছে। খালিস্তানী সন্ত্ৰাসবাদী হৰদীপ সিং নিজ্জাৰৰ হত্যাৰ সৈতে ভাৰত জড়িত বুলি প্ৰাৰম্ভিক অৱস্থাত অভিযোগ কৰাৰ পাছত এই অভিযোগৰ সত্যতা সন্দৰ্ভত কানাডাৰ চৰকাৰৰ ওচৰত কোনো নিশ্চিত প্ৰমাণ নাই বুলি দেশখনৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে স্বীকাৰ কৰি লোৱাৰ পৰৱৰ্তী সময়ত ভাৰতে এই কথা প্ৰকাশ কৰে।

০০০

ধুবুৰী জিলাৰ ৰূপসী বিমানবন্দৰত নতুন সেৱা আৰম্ভ হোৱাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শুভেচ্ছা জনাইছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই কয় যে, এই বিমান বন্দৰযোগে পশ্চিম অসমৰ অঞ্চলসমূহৰ বাবে সুন্দৰ সুযোগ সুবিধা সৃষ্টি কৰি গুৱাহাটী আৰু কলকাতালৈ পুনৰ সেৱা আগবঢ়াব। সুচল বিমান যাতায়তৰ বাবে ৰূপসীৰ পৰাই যাত্ৰীসকলে গুৱাহাটী আৰু কলকাতালৈ যাত্ৰা কৰিব পাৰিব বুলি তেওঁ কয়। ইফালে ৰাজ্যৰ হস্ততাঁত আৰু বস্তুশিল্প মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই আজি ধুবুৰী জিলাৰ ৰূপসী বিমান বন্দৰৰ পৰা বিমান চলাচলৰ শুভাৰম্ভ কৰে। আজিৰে পৰা শুভাৰম্ভ হোৱা এই বিমান বন্দৰটোৰেদি গুৱাহাটীৰ পৰা ৰূপসী হৈ কলকাতা আৰু কলকাতাৰ পৰা ৰূপসী হৈ গুৱাহাটীলৈ সপ্তাহত ৩ দিন বিমান চলাচল কৰিব। উল্লেখযোগ্য যে উৰণ আঁচনিৰ অধীনত এলায়েন্স এয়াৰ নামৰ বিমান সন্থাই ৰূপসী বিমান বন্দৰৰ পৰা এই বিমানসেৱা চলাচলত নিয়োজিত হৈ আছে।

০০০

নেপালৰ কাঠমাণ্ডুত অনুষ্ঠিত মহিলাৰ ছাফ ফুটবল প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত ভাৰত আজি পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ভাৰতীয় দলৰ অধিনায়ক আশালতা দেৱীয়ে আজি দেশৰ হৈ তেওঁৰ খেলুৱৈ জীৱনৰ এশসংখ্যক খেলত ভাগ লৈছে।

০০০

ঃঃ সমাপ্ত ঃঃ